# অকঁণিহতঁৰ বাবে বাইবেলখন

## আগবঢ়াইছে

# যেতিয়া ঈশ্বৰে সকলো নিৰ্ম্মাণ কৰিলে




**লিখিছেঃ** Edward Hughes
**ব্যাখ্যা কৰিছেঃ** Byron Unger; Lazarus
**অনুবাদ কৰিছেঃ** ড: শান্তি ৰাণী সিং, এম, এচ, চি. পি এইচ. ডি.
**গ্ৰহন কৰিছেঃ** Bob Davies; Tammy S.



Story 1 of 60

**www.M1914.org**

***Bible for Children,*** *PO Box 3, Winnipeg, MB R3C 2G1 Canada*



**অনুমতিঃ এইট কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে, কিন্তু ইয়াক বিক্ৰি নকৰিব।**


Assamese

আমাক কোনে নিৰ্ম্মাণ কৰিলে? মানৱ জাতিৰ কি দৰে আৰম্ভ হৈছিল এইট বিষয়ে ঈশ্বৰৰ বাক্য বাইবেলে কয়। বহুত বছৰ আগতে ঈশ্বৰে প্ৰথম মানুহ নিৰ্ম্মাণ কৰিছিল। যেতিয়া ঈশ্বৰে আদমত প্ৰাণ বায়ু সোমাইট দিছিল, তেওঁ জীৱিত হৈ উঠিছিল। এটিট অতি উত্তম বাৰী - এদেনত তেওঁ নিজকে আবিস্কাৰ কৰিছিল।



1

আদমক নিৰ্ম্মাণ কৰা আগতে, ঈশ্বৰে অতি সুন্দৰ এখন পৃথিৱী সৃষ্টি কৰি তাক উত্তম বস্তুৰে পৰিপূৰ্ণ কৰিছিল। ক্ৰমে ক্ৰমে ঈশ্বৰে পাহাৰীয়া ঠাইবোৰ আৰু বিশাল মহাকাশ, সুগন্ধিযুক্ত ফুল আৰু ওখ ওখ বৃক্ষ, উজমল পাখিৰ চৰাইবোৰ আৰু উৰি ফুৰা মৌ-মাখি, বৃহত্ আকাৰৰ তিমি মাছ আৰু লেহুকা পিছল শামুকবোৰ সৃষ্টি কৰিছিল। আন কথাত ঈশ্বৰে সকলো বস্তুকে সষ্টি কৰিছিল - সকলোকে।



2

অতি আদিম অৱস্থাত, ঈশ্বৰে সৃষ্টি কৰা আগতে, ঈশ্বৰৰ বাদে আন একো নাছিল। মানুহ, ঠাইট বা বস্তু একোৱে নাছিল। পোহৰ আৰু আন্ধাৰ নাছিল। তল আৰু ওপৰ নাছিল। যোৱা কালি আৰু অহা কালি নাছিল। এক মাত্ৰ ঈশ্বৰ আছিল, যি জনাৰ আদি অৱস্হা নাছিল। তাৰ পিছত ঈশ্বৰে কাম আৰ কৰিলে।



3

আদিতে ঈশ্বৰে আকাশ মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিলে।



4

পৃথিৱীৰ কোনো আকৃতি নাছিল আৰু শূণ্য আছিল। আৰু আগাধ গভীৰতাৰ ওপৰত অন্ধকাৰ আছিল। তাতে ঈশ্বৰে কলে ‘‘ে পা হৰ হওক’’।



5

তাতে পোহৰ হ’ল। ঈশ্বৰে পোহৰক দিন আৰু অন্ধকাৰক ৰাতি বুলি ক’লে। গধুলি আৰু ৰাতিপূৱা হোৱাত প্ৰথম দিন হৈছিল।



6

দ্বিতীয় দিনাখন ঈশ্বৰে স্বৰ্গৰ তলত থকা মহাসাগৰ, সাগৰ, হ্ৰদ আদিৰ জলসমূহক স্থাপন কৰিলে। তৃতীয় দিনাখন ঈশ্বৰে ক'লে, ‘‘শুকান ভূমিৰ উৎপন্ন হওক’’। আৰু সেইদৰেইহট হ'ল।



7

ঘাহঁ-বন, ফুল, জোপোহা আৰু বৃক্ষক উৎপন্ন হবলৈ ঈশ্বৰে আজ্ঞা দিলে। আৰু সেইদৰেইহট উৎপন্ন হল। গধূলি আৰু পূৱা হোৱাত তৃতীয় দিন হৈছিল।



8

তাৰ পিছত ঈশ্বৰে সূৰ্য্য, চন্দ্ৰ আৰু অগণন তৰাবোৰ সৃষ্টি কৰিল। গধূলি আৰু ৰাতিপুৱা হোৱাত চতুৰ্থ দিন হৈছিল।



9

সামুদ্ৰিক জন্তুবোৰ আৰু মাছ আৰু চৰাইটবোৰ ঈশ্বৰৰ পিছৰ তালিকাখনৰ অৰ্ন্তভূক্ত আছিল। পঞ্চম দিনাখন ঈশ্বৰে অতি বৃহত্ আকাৰৰ আৰু অতি ক্ষুদ্ৰ আকাৰৰ মাছবোৰ, দীঘল ঠেংৰ অষ্ট্ৰিচ পখি আৰু আনন্দেৰে গীত গান কৰা চৰাইটবোৰ সৃষ্টি কৰিলে।



10

পৃথিৱীৰ ভূমি, সাগৰ আৰু আকাশখনক আনন্দেৰে উপভোগ কৰিব পৰাকৈ ঈশ্বৰে জলসমূহক পৰিপূৰ্ণ কৰিব পৰাকৈ বিভিন্ন ধৰণৰ মাছ আৰু চৰাইটবোৰৰ সৃষ্টি কৰিলে। গধূলি আৰু পুৱা হোৱাত পঞ্চম দিন হৈছিল।



11

তাৰ পিছত ঈশ্বৰে পুনৰ কথা কলে। তেওঁ কৈছিল, ‘‘সকলো জীৱ জন্তু ... উৎ পন্ন হও ক’’। সকলো ধৰণৰ জন্তু, কীটট পতংগ আৰু সৰীসৃপ উৎপন্ন হৈছিল। পৃথিৱী কপাঁইট তোলা বৃহত্ আকাৰৰ হাতী আৰু অতি ব্যস্ত উভচৰ প্ৰাণীবোৰ। ধেমালিৰে পূৰ্ণ বান্দৰবোৰ আৰু এলেহুৱা ঘৰিয়ালবোৰ। চুচৰি ফুৰা কেচু আৰু তেনে ধৰণৰ আন প্ৰাণীবোৰ। দীঘল ডিঙিৰ জিৰাফ আৰু গৰজি ফুৰা বৃহত্ আকাৰৰ মেকুৰীবোৰ। সেইটদিনাখনেইট ঈশ্বৰে সকলো ধৰণৰ প্ৰাণীবোৰ সৃষ্টি কৰিছিল। গধূলি আৰু পুৱা হোৱাত ষষ্ঠ দিন হৈছিল।



12

ষষ্ঠ দিনাখন ঈশ্বৰে আৰু কিবা এটা কৰিলে ... কিবা এটা অতি বিশেষ কাম। মানুহৰ কাৰণে সকলো বস্তু যুগুত হৈ আছিল। পথাৰত খাদ্য বস্তু আছিল আৰু তেওঁৰ সেৱা কৰিবলৈ জীৱ জন্তুবোৰ আছিল। আৰু ঈশ্বৰে কলে ‘‘আমি নিজৰ প্ৰতিমূৰ্ত্তিৰ দৰে আমাৰ সাদৃশ্যৰে মানুহ নিৰ্ম্মাণ কৰোহক’’। সকলো জন্তুৰ ওপৰত তেওঁ অধিকাৰ চলাওক। তাতে ঈশ্বৰে নিজ প্ৰতিমূৰ্ত্তিৰে মানুহ সৃষ্টি কৰিল ঈশ্বৰৰ প্ৰতিমূৰ্ত্তিৰেইট তাক সৃষ্টি কৰিলে ....



13

ঈশ্বৰে আদমক কলে, ‘‘তুমি বাৰীৰ সকলো বৃক্ষৰ ফল স্বচ্ছন্দে খাব পাৰা। কিন্তু ভাল বেয়া জ্ঞান দিওঁতা বৃক্ষৰ ফল হলে নাখাবা; কিয়নো যি দিনা তাক খাবা, সেইট দিনাইট তুমি অৱশ্যে মৰিবা।’’



14

আৰু প্ৰভু ঈশ্বৰে কলে ‘‘মানুহ অকলে থকা ভাল নহয়; মই তাৰ নিমিত্তে তাৰ এক উপযুক্ত সহকাৰী নিৰ্ম্মাণ কৰিম।’’ ঈশ্বৰে সকলোবোৰ চৰাই আৰু বনৰীয়া জন্তবোৰ আদমৰ ওচৰলৈ আনিলে। আদমে সেই সকলোবোৰৰ নাম থলে। এনেদৰে কৰিবলৈ তেওঁ নিশ্চয়ে বৰ বুদ্ধিমান আছিল। কিন্ত সকলো চৰাই আৰু বনৰীয়া জন্তৰ মাজত আদমৰ কাৰণে উপযুক্ত সহকাৰী নাছিল।



15

ঈশ্বৰে আদমৰ ওপৰলৈ অতি গভীৰ টোপনি আনিলে। টোপনিত থকা মানুহজনৰ কামী হাড় এদাল উলিয়াই, ঈশ্বৰে আদমৰ কামী হাড়ৰ পৰা এজনী স্ত্ৰী নিৰ্ম্মাণ কৰিলে। ঈশ্বৰে নিৰ্ম্মাণ কৰা স্ত্ৰী গৰাকী আদমৰ বাবে উপযুক্ত সহকাৰী আছিল।



16

ছয় দিনত ঈশ্বৰে সকলো নিৰ্ম্মাণ কৰিলে। পাছে ঈশ্বৰে সপ্তম দিনক আশীৰ্ব্বাদ কৰিলে আৰু সেই দিনটোক বিশ্ৰাম দিন কৰিলে। ঈশ্বৰৰ বাধ্য হৈ আদম আৰু তেওঁৰ ভাৰ্য্যা এদন বাৰীত বৰ সুখেৰে আছিল। ঈশ্বৰ তেওঁলোকৰ প্ৰভু, তেওঁলোকৰ যোগান দিওঁতা আৰু তেওঁলোকৰ বন্ধু আছিল।



17

যেতিয়া ঈশ্বৰে সকলো নিৰ্ম্মাণ কৰিলে

ঈশ্বৰৰ বাক্য, বাইবেলত,

এই কাহিনী পোৱা যায়

আদিপুস্তক ১ - ২ অধ্যায়।

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”
গীতমালা ১১৯: ১৩০ পদ।

বাইবেলৰ এই কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়, যিজনাই আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাই আমি তেওঁৰ বিষয়ে জনাতো বাঞ্ছা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্ত ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাই দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাই ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ’ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ’ল! তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াই আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁ লগত নিবাস কৰিবা।

তুমি যদি এই সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা: প্ৰিয় যীচু, মই বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মই নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা! যোহন ৩: ১৬ পদ।